*Total number of printed pages–3*

**14 (ASM-2) 2016**

# 2017

## ASSAMESE

Paper : ASM 2016

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। (ক) চন্দ্ৰকুমাৰ আগৰৱালাৰ ব্যক্তি জীৱন 'অজেয়' কবিতাটোত কিদৰে সম্পৃক্ত হৈ আছে ফঁহিয়াই দেখুওৱা। ১৬

*অথবা*

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ 'মালতী' কবিতাটোত কিমান দূৰ ৱৰ্ডচৱৰ্থ আৰু কিমানখিনি মৌলিকতা আছে প্ৰদৰ্শন কৰা।

২। (ক) ৰঘুনাথ চৌধাৰীৰ 'গিৰিমল্লিকা'ত বিষয়ীৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা। ১৬

*Contd.*

*অথবা*

(খ) সূৰ্যকুমাৰ ভূঞাৰ ‘আপোন সুৰ’ কবিতাত ৰমন্যাসিক যুগৰ অৱশিষ্ট এটি সুৰ কিদৰে ৰক্ষিত হৈ আছে ফঁহিয়াই দেখুওৱা।

৩। (ক) অজিৎ বৰুৱাৰ ‘দুখৰ কবিতা’ত আবেগৰ সংযমৰ ক্ষেত্ৰত ভাষাই কিদৰে সহায় কৰিছে দেখুওৱা। ১৬

*অথবা*

(খ) নীলমণি ফুকনৰ ‘ওলমি থকা গোলাপী জামুৰ লগ্ন’ কবিতাৰ এটি নিৰ্বচন (interpretation) আগবঢ়োৱা।

৪। (ক) সমীৰ তাঁতীৰ ‘মোৰ প্ৰতিটো দিন আৰু ৰাতিৰ আৰম্ভনি’ কবিতাটোত মানৱতাবাদ কিদৰে মূৰ্ত হৈছে দেখুওৱা। ১৬

*অথবা*

(খ) অনুভৱ তুলসীৰ ‘চিহ্নযাত্ৰাৰ কেইটামান জলমগ্ন দৃশ্য’ কবিতাত পানী কিদৰে কবিতাটোৰ গাঁথনিৰ ক্ষেত্ৰত ক্ৰিয়াশীল হৈ আছে ফঁহিয়াই দেখুওৱা।

৫। চমুটোকা লিখা ঃ ***(যিকোনো ৪টা)*** ৪×৪=১৬

(ক) ৰমন্যাসিক প্ৰেম

(খ) পদ্মনাথ গোহাঞিবৰুৱাৰ কবিতাত প্ৰকৃতি



(গ) ভিক্টোৰীয় যুগ

(ঘ) পৰোক্ষ উল্লেখ (Allusion)

(ঙ) ‘সম্ৰাট’ কবিতাত প্ৰতীক

(চ) আধুনিক কবিতাত বিষণ্ণ অতীত প্ৰীতি (Nostalgia)

---



REDMI NOTE 5 PRO

*Total number of printed pages–3*

**14 (ASM-2) 2026**

**2017**

**ASSAMESE**

Paper : 2026 (2·2)

***[(Assamese Prose (1846-2015)]***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। (ক) "উচ্চাৰণভিত্তিক বৰ্ণবিন্যাস ৰীতিয়ে 'অৰুণোদয়'ৰ ভাষাৰ পৰা আনন্দৰাম ঢেকিয়াল ফুকনৰ ভাষা পৃথক কৰি তুলিছে।" — উক্ত মন্তব্যৰ আধাৰত 'অৰুণোদই'ৰ ভাষাৰীতিৰ সৈতে আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰীতিৰ এটি তুলনামূলক আলোচনা দাঙি ধৰা। ১৬

*অথবা*

(খ) নিধিলেৰি ফাৰবেলৰ গদ্য সম্পৰ্কে নিৰ্বাচিত পাঠৰ আধাৰত এটি নিবন্ধ যুগুত কৰা। ১৬

*Contd.*

২। (ক) লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ'ৰ কথন-ভংগী (narrative style) সম্পৰ্কে এটি সমীক্ষামূলক প্ৰবন্ধ লিখা। ১৬

*অথবা*

(খ) "গদ্যচৰ্চাকেই এটি সাধনা হিচাপে লৈ গদ্যৰ উৎকৰ্ষ সাধন কৰা যিজন প্ৰথম আধুনিক অসমীয়া লেখক, সেইজনেই হ'ল সত্যনাথ বৰা। গদ্যৰ উন্নতি, অসমীয়া গদ্যৰ বিকাশ বা অসমীয়া গদ্যৰ কৰ্ষণৰ বাবেই এইজন সাহিত্যিকে পৰম নিষ্ঠাৰে গদ্য ৰচনা কৰিছিল।" — উক্ত মন্তব্যৰ আধাৰত সত্যনাথ বৰাৰ গদ্যৰীতি সম্পৰ্কে এটি বিশ্লেষণাত্মক আলোচনা প্ৰস্তুত কৰা। ১৬

৩। (ক) "বিভিন্ন জটিল বিষয়ক সহজবোধ্যভাবে প্ৰকাশ কৰিবলৈ গৈ সন্দিকৈয়ে দেশী-বিদেশী বিভিন্ন সাহিত্যৰ প্ৰসংগ টানি অনা ৰীতি তেওঁৰ গদ্যত পৰিলক্ষিত হয়।" কৃষ্ণকান্ত সন্দিকৈৰ 'বিশ্বসাহিত্যৰ পটভূমিত অসমীয়া সাহিত্য' প্ৰবন্ধটোৰ আলমত উক্ত কথাষাৰিৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰা। ১৬

*অথবা*

(খ) "অসমীয়া গদ্যৰীতিৰ ইতিহাসত ড° বাণীকান্ত কাকতিৰ গদ্যৰীতিৰ স্থান" — এই সন্দৰ্ভত এটি মননশীল প্ৰবন্ধ ৰচনা কৰা। ১৬



৪। (ক) অতুল চন্দ্ৰ বৰুৱাৰ গদ্যশৈলীৰ বিশিষ্টতা তোমাৰ পাঠ্যৰচনাখনৰ সহায়ত নিৰূপণ কৰা। ১৬

*অথবা*

(খ) উত্তৰ-স্বাধীনতা যুগৰ অসমীয়া গদ্যৰ বিকাশত হোমেন বৰগোহাঞিৰ ভূমিকা সম্পৰ্কে তোমাৰ পাঠ্য ৰচনা দুখনৰ বিশেষ উল্লিখন সহ আলোচনা কৰা। ১৬

৫। *যিকোনো দুটাৰ* বিষয়ে চমুকৈ লিখা ঃ ২×৮=১৬

(ক) ৰত্নেশ্বৰ মহন্তৰ ভাষাশৈলী

(খ) কালিৰাম মেধিৰ ৰচনাত শব্দ প্ৰয়োগৰ বৈচিত্ৰ্য

(গ) ত্ৰৈলোক্যনাথ গোস্বামীৰ গদ্যৰীতি

(ঘ) অসমীয়া সমালোচনালৈ হীৰেন গোঁহাইৰ গদ্যৰ বৰঙণি।

---

*Total number of printed pages–2*

**14 (ASM-2) 2036**

**2017**

**ASSAMESE**

Paper : 2036

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

৮নং প্ৰশ্ন বাধ্যতামূলক। আৰু *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ কৰিবা।

৪×১৬=৬৪

১। তোমাৰ পাঠ্য অনাতাঁৰ নাটকখনৰ আলোচনা বিশেষভাৱে সন্নিৱিষ্ট কৰি অসমীয়া অনাতাঁৰ নাটক সম্পৰ্কে এটি প্ৰবন্ধ প্ৰস্তুত কৰা।

২। 'বঙ্গাল-বঙ্গালনী' নাটকত সমাজ-সমালোচনা কিদৰে প্ৰকট হৈছে, দেখুওৱা।

৩। বেজবৰুৱাৰ জাতীয়তাবাদী চিন্তা-চেতনাই তেওঁৰ 'চক্ৰধ্বজ সিংহ' নাটকখন কিদৰে প্ৰভাৱিত কৰিছে, আলোচনা কৰা।

*Contd.*

৪। ‘কাৰেঙৰ লিগিৰী’ নাটকত সমস্যামূলক নাটকৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা।

৫। ভ্ৰাম্যমাণ থিয়েটাৰৰ বাবে লিখা নাটক হিচাপে ‘শৰাগুৰি চাপৰি’ নাটকখনৰ বিশিষ্টতা নিৰূপণ কৰা।

৬। শ্ৰীনিবাৰণ ভট্টাচাৰ্য চৰিত্ৰটিৰ এটি বিশ্লেষণ আগবঢ়োৱা।

৭। প্ৰচেনিয়াম মঞ্চৰ এটি বিৱৰণ দিয়া আৰু অসমত এই মঞ্চৰ বিকাশ সম্পৰ্কে এটি টোকা লিখা।

৮। তলৰ বিষয়সমূহৰ *যিকোনো চাৰিটা* বিষয় সম্বন্ধে চমুটোকা লিখা। ৪×৪=১৬

(ক) প্ৰহসন হিচাপে ‘গাওঁবুঢ়া’

(খ) ‘চক্ৰধ্বজ সিংহ’ নাটকত শ্যেইক্‌ছপীয়েৰৰ নাটকৰ প্ৰভাৱ

(গ) ‘মৰাহাতী’ নাটকৰ কাহিনী-বিন্যাস

(ঘ) ‘শৰাগুৰি’ চাপৰি’ নাটকৰ শিৰোনামৰ যথাৰ্থতা

(ঙ) ‘লুইতকন্যা’ নাটকত লোকনাট্যৰ উপাদান

(চ) অসমৰ সাম্প্ৰতিক পৰীক্ষামূলক নাটক।

---

*Total number of printed pages–3*

**14 (ASM-2) 2046**

**2017**

**ASSAMESE**

Paper : 2046

**(New Course)**

***(Indian Criticism)***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। (ক) আনন্দবৰ্ধনে আগবঢ়োৱা ধ্বনিৰ সংজ্ঞাটি লিখা। কাব্যতত্ত্বৰ ক্ষেত্ৰখনলৈ ধ্বনিকাৰৰ অৱদান সম্পৰ্কে বহলাই আলোচনা কৰা। ১৬

*অথবা*

(খ) বক্ৰোক্তিবাদৰ প্ৰধান প্ৰবক্তা কোন? তেওঁ বক্ৰোক্তি সম্পৰ্কে কেনে ধাৰণা পোষণ কৰিছে লিখা। ১৬

*Contd.*

MI DUAL CAMERA
REDMI NOTE 5 PRO

২। (ক) ভৰতমুনিয়ে ৰচনা কৰা ‘নাট্যশাস্ত্ৰ’ নামৰ গ্ৰন্থখনৰ এটি বিশদ পৰিচয় দাঙি ধৰা। ১৬

*অথবা*

(খ) ‘ৰীতিৰাত্মা’ কাব্যস্য’ — ব্যাখ্যা কৰা। ১৬

৩। (ক) মধ্যযুগৰ ভক্তিবাদী আলংকাৰিকসকলৰ এটি পৰিচয়মূলক টোকা লিখা। ১৬

*অথবা*

(খ) ভাৰতীয় আলংকাৰিকসকলে সাহিত্যত ভক্তিৰ স্থান কিদৰে নিৰূপণ কৰিছে বহলাই লিখা। ১৬

৪। (ক) দেশীবাদ সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা। ১৬

*অথবা*

(খ) দেশীবাদৰ প্ৰবক্তাসকলৰ আদৰ্শ কি — বিশদভাৱে আলোচনা কৰা। ১৬



৫। চমু টোকা লিখা ঃ *(যিকোনো দুটাৰ)* ৮×২=১৬

(ক) ভট্টনায়ক

(খ) বোপদেৱ

(গ) কাব্যগুণ

(ঘ) সাহিত্যবিদ্যা পৰিক্ৰমা।

---

**14 (ASM-2) 2054**

**2017**

# ASSAMESE

## *[Value Added Course (Editing)]*

*Full Marks : 50*

Time : Two hours

***The figures in the margin indicate full marks for the questions.***

*৮ নং প্ৰশ্নটো বাধ্যতামূলক। বাকী যিকোনো ৪টা প্ৰশ্নৰ উত্তৰ কৰিবা।*

১। অসমীয়া ছপাপুথিৰ চমু ইতিহাস এটি দাঙি ধৰা। ১০

২। গ্ৰন্থ সম্পাদনাৰ উদ্দেশ্য কি ? উপযুক্ত উদাহৰণদ্বাৰা সেইবোৰ বৰ্ণনা কৰা। ১০

৩। গ্ৰন্থ সম্পাদনাৰ মূল বৈশিষ্ট্যবোৰ কি ? চমুকৈ বৰ্ণনা কৰা। ২+৮=১০

৪। এজন গ্ৰন্থ সম্পাদকে এখন পাণ্ডুলিপি কোনবোৰ মাপকাঠিৰ ভিত্তিত গ্ৰহণ বা বৰ্জন কৰে বুজাই লিখা। ১০

Contd.

৫। ধৰি লোৱা তুমি এটা প্ৰকাশন গোষ্ঠীৰ সম্পাদক। প্ৰকাশকে 'অসমীয়া সাহিত্যৰ প্ৰত্যাহ্বান' সম্পৰ্কে এখন গ্ৰন্থ প্ৰকাশ কৰিবলৈ প্ৰস্তাৱ কৰিছে। এতিয়া প্ৰস্তাৱিত গ্ৰন্থখনৰ লেখকে কোনবোৰ বিষয়ৰ ওপৰত গুৰুত্ব দি গ্ৰন্থখন লিখিব লাগে, সেই সম্পৰ্কে লেখকজনলৈ পঠিওৱাৰ বাবে এটি টোকা প্ৰস্তুত কৰা। ১০

৬। এখন গ্ৰন্থৰ মূলতঃ কেইটা অংশ থাকে ? প্ৰতিটো অংশৰ বিষয়ে চমুকৈ লিখা। ১০

৭। সম্পাদক এজনৰ প্ৰকাশন লগত জড়িত অন্যান্য বিভাগবোৰৰ লগত সম্পৰ্ক কি আৰু কেনে হোৱা উচিত সেই সম্পৰ্কে আলোচনা কৰা। ১০

৮। চমু উত্তৰ দিয়া ঃ *(যিকোনো ২টা)* ৫×২=১০

(ক) নিৰ্ঘণ্ট

(খ) পৰিশিষ্ট

(গ) গ্ৰন্থপঞ্জী

(ঘ) 'গ্ৰন্থ এখন সাংস্কৃতিক সামগ্ৰী'– কথাষাৰৰ তাৎপৰ্য।

---